• **বৃদ্ধি আৰু বিকাশৰ অৰ্থ ঃ** 'বৃদ্ধি' আৰু 'বিকাশ' এই দুয়োটা শব্দ বহুত সময়ত একে অৰ্থ প্ৰকাশৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে দুয়োটা শব্দৰে পাৰস্পৰিক সম্পৰ্ক নথকা নহয়, কিন্তু দুয়োটা শব্দৰে একো একোটা নিজস্ব অৰ্থ আছে। 'বৃদ্ধি' শব্দটোৰ প্ৰকৃত অৰ্থ হ'ল পৰিমাণগত পৰিৱৰ্তন (Quantitative Change) যেনে— শিশুৰ বৃদ্ধি বুলি ক'লে দেহৰ ওজন, উচ্চতা, গঠনৰ পৰিৱৰ্তন বুজায় তদুপৰি 'বৃদ্ধি' বুলিলে কেৱল শিশুৰ বাহ্যিক শাৰীৰিক বৃদ্ধিকে নুবুজায়, এই বৃদ্ধিৰ লগে লগে দেহৰ আভ্যন্তৰিণ আৰু মগজুৰ বৃদ্ধিয়ো হয়। মগজুৰ বৃদ্ধিৰ বাবেই প্ৰত্যেক শিশুৱে শিক্ষণ ক্ষমতা, মনত ৰখা শক্তি আৰু যিকোনো কথাকে যুক্তিসহকাৰে বিবেচনা কৰিব পৰা হয়।

'বিকাশ' শব্দৰ অৰ্থ হ'ল গুণগত পৰিৱৰ্তন (quatitative change) বা বিকাশ বুলিলে অভিজ্ঞতা আৰু পৰিপক্কতাৰ ফলত হোৱা বিকাশাত্মক পৰিৱৰ্তনকে বুজায়। মানৱ জীৱন কেতিয়াও স্থিৰ নহয়, অঙ্কুৰিত হোৱাৰ পৰা মৃত্যু পৰ্যন্ত শাৰীৰিক, মানসিক সমৰ্থতাসমূহৰ সঘনে পৰিৱৰ্তন হয়, কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে বিকাশ কেৱল কোনো এজন মানুহৰ উচ্চতাৰ ইঞ্চি সংযোগ কৰা বা কোনো এজনৰ সমৰ্থতা সংযোগ কৰা গুণ। তাৰ পৰিৱৰ্তে ইয়াক ক'ব পাৰি যে বিকাশ মানুহৰ গঠন আৰু কাৰ্যকাৰিতা সংগঠন কৰা এক জটিল প্ৰক্ৰিয়া।

আন অৰ্থত 'বিকাশ' হৈছে এক সুসংযত, শৃঙ্খলাবদ্ধ পৰিৱৰ্তনৰ এক ক্ৰমবৰ্দ্ধমান প্ৰণালী, বিকাশ সদায়েই ক্ৰমাণ্বয়ে আগবাঢ়ে কিন্তু কেতিয়াও পিছুৱাই নাহে আৰু বিকাশৰ এটা অৱস্থাৰ লগত আন এটাৰ এক সম্পৰ্ক আছে।

যদিও 'বৃদ্ধি' আৰু 'বিকাশ' শব্দৰ অৰ্থ বেলেগ বেলেগ হ'লেও এইটো কথা সত্য যে দুয়োটা শব্দৰ এটাক অকলে ব্যৱহাৰ কৰিব নোৱাৰি, আমি বৃদ্ধিৰ কথা ক'বলৈ গ'লে বিকাশৰ প্ৰসংগ উলিয়াবই লাগিব কিয়নো বৃদ্ধি অবিহনে, বিকাশ সম্ভৱ নহয়। উদাহৰণস্বৰূপে এটি শিশুৰ শাৰীৰিক, মগজুৰ বৃদ্ধি নহ'লে সি থিয় হ'ব, খোজ কাঢ়িব আৰু কোৱাৰ কৌশল আয়ত্ব কৰিব নোৱাৰিব। অৰ্থাৎ শাৰীৰিক বৃদ্ধিৰ লগত কৌশল আয়ত্বকৰণৰ এক ওতঃপ্ৰোত সম্বন্ধ আছে। সেয়েহে বৃদ্ধি আৰু বিকাশৰ সংজ্ঞা এনেধৰণেৰে দিব পাৰি— বৃদ্ধি হ'ল, 'সংযোগ আৰু বাঢ়ন' আৰু বিকাশ হ'ল 'কৌশল আয়ত্বকৰণ', বিকাশৰ দ্বাৰা শিশুৰ গাত নিহিত হৈ থকা গুণৰাশি ভৱিষ্যতত প্ৰস্ফুটিত হয়।

আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মনোবৈজ্ঞানিক হাৰলকে এক সংজ্ঞা দাঙি ধৰিছে। সেই সংজ্ঞামতে 'বিকাশ শৃংখলাবদ্ধ, সু-সংযত পৰিৱৰ্তনৰ প্ৰগতিশীল ধাৰা' অৰ্থাৎ বিকাশ হ'ল গতিশীল ই ক্ৰমাগতভাৱে আগবাঢ়ে, কিন্তু কেতিয়াও পিছুৱাই নাহে। এই গতিশীলতাৰ মাজতো পূৰ্ববৰ্ত্তী (আগতে হৈ যোৱা) পৰিৱৰ্তন আৰু পৰৱৰ্তী (ভৱিষ্যতে হ'ব লগা) পৰিৱৰ্তনৰ মাজত এক যোগসূত্ৰ আছে আৰু সেইবাবেই বিকাশক সু-সংযত আৰু শৃংখলাবদ্ধভাৱে হোৱা প্ৰক্ৰিয়া বুলি কোৱা হয়।